# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 26-Feb-2026
**Time :** 1715 HRS

## *Assamese Evening Bulletin*
## Headlines

--------------------

১। **মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা, জীৱন অনুপ্ৰেৰণা** আৰু **নিযুত বাবু** আঁচনিৰ অধীনত আজি শিক্ষাৰ্থীসকলক প্ৰত্যক্ষ লাভ হস্তান্তৰ ব্যৱস্থাৰে অনুদান প্ৰদান।

২। খানাপাৰাৰ কৃষি সঞ্চালকালয়ৰ চৌহদৰ খেলপথাৰত আজিৰে পৰা ২৫ সংখ্যক ৰাজ্যিক কৃষি উদ্যান শস্য মেলা।

৩। বিটিচিৰ ৫ গেৰাণ্টিৰ অধীনত আজি কেইবাখনো জিলাত হিতাধিকাৰীসকলৰ মাজত চেক বিতৰণ।

**আৰু**

৪। টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইটৰ এখন খেলত ৱেষ্ট ইণ্ডিজৰ দক্ষিণ আফ্ৰিকাৰ জয়ৰ বাবে ১৭৭ ৰানৰ লক্ষ্য নিৰ্ধাৰণ।

ooooo

গুৱাহাটীৰ খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত অনুষ্ঠানত আজি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই **মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা, জীৱন অনুপ্ৰেৰণা** আৰু **নিযুত বাবু** আঁচনিৰ অধীনত শিক্ষাৰ্থীৰ মাজত প্ৰত্যক্ষ লাভ হস্তান্তৰ ব্যৱস্থাৰে অনুদান প্ৰদান কৰে। **জীৱন প্ৰেৰণা** আঁচনিৰ অধীনত চৰকাৰী বা ৰাজহুৱা প্ৰতিষ্ঠানৰ পৰা ২০২৫ বৰ্ষত স্নাতক ডিগ্ৰী লাভ কৰা শিক্ষাৰ্থীসকলে এবছৰৰ বাবে দুহেজাৰ ৫০০ টকাকৈ লাভ কৰিব। তদুপৰি শৈক্ষিক উৎকৰ্ষতা আৰু উদ্ভাৱনক উদগণি যোগোৱাৰ উদ্দেশ্যে আজি **মুখ্যমন্ত্ৰীৰ জীৱন অনুপ্ৰেৰণা** আঁচনিৰ অধীনত দুহেজাৰ ১১২ গৰাকী গৱেষকক অনুদান প্ৰদান কৰা হয়। ইয়াৰ অধীনত চৰকাৰী আৰু ৰাজহুৱা প্ৰতিষ্ঠানৰ পৰা পূৰ্ণকালীন গৱেষণাৰ বাবে গৱেষকসকলক ২৫ হাজাৰ টকাকৈ আৰু দিব্যাংগ গৱেষকসকলক ৪০ হাজাৰ টকাকৈ প্ৰদান কৰা হয়। আঁচনিৰ ধনৰাশি বিতৰণৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে এইদৰে কয়-

**বাইট (চি এম)**

মুখ্যমন্ত্ৰী ডঃ শৰ্মাই এই অনুষ্ঠানৰ পৰাই ভাৰ্চুৱেল ব্যৱস্থাৰে আই টি আই আৰু পলিটেকনিকসমূহত স্থাপন কৰা উদ্যোগ ৪.০ প্ৰযুক্তি কেন্দ্ৰসমূহ উদ্বোধন কৰে। এই অনুষ্ঠানতে আৰ্থিকভাৱে দুৰ্বল পৰিয়ালৰ

ছাত্রসকলক সকাহ দিয়াৰ উদ্দেশ্যে **মুখ্যমন্ত্ৰীৰ নিযুত বাবু** আঁচনিৰ শুভাৰম্ভ কৰা হয়। ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানৰ বাহিৰে স্নাতক আৰু স্নাতকোত্তৰ বৰ্ষত নামভৰ্তি কৰা চৰকাৰী আৰু অপ্ৰাদেশিকীকৃত শিক্ষানুষ্ঠানৰ ছাত্ৰসকলে এই আঁচনিৰ সুবিধা লাভ কৰিব। এই আঁচনিৰ অধীনত ২০২৬-২৭ বৰ্ষত ৪৭ হাজাৰ ৩৯৫ গৰাকী ছাত্ৰৰ মাজত মুঠ ১২ কোটি টকাৰ অনুদান প্ৰদান কৰা হয়।

ooooo

গুৱাহাটীৰ বেতকুচিত আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বৃহৎ পৌৰ সেৱা ভৱন মুকলি কৰে। ২৫ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা এই ভৱনলৈ সকলো বিভাগৰ মুখ্য কাৰ্যালয় অনা হ'ব। এই ভৱনত মেয়ৰ, পাৰিষদ, অধ্যক্ষ আৰু আয়ুক্ত সকলো একেলগে বহি কাম কৰাৰ সুবিধা থাকিব। ড০ শৰ্মাই আজি কামৰূপ জিলাত দুখনকৈ নৱনিৰ্মিত ষ্টেডিয়াম মুকলি কৰে। তেওঁ প্ৰথমে শুৱালকুছিত ৬৭ কোটিৰো অধিক টকা ব্যয় সাপেক্ষে সাজি উলিওৱা এখন ক্ৰীড়া ক্ষেত্ৰ উদ্বোধন কৰে। এই ক্ৰীড়া ক্ষেত্ৰত ফুটবল খেলপথাৰ, ৮টা লেনযুক্ত আধুনিক এথলেটিক ট্ৰেক, ৬ হাজাৰ আসনবিশিষ্ট গেলেৰী, ভলীবল, বাস্কেটবল ক'ৰ্ট, ইনড'ৰ ষ্টেডিয়াম আদিৰ সুবিধা আছে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে বংশৰত ১১ কোটিৰো অধিক টকা ব্যয় সাপেক্ষে নিৰ্মিত মিনি ষ্টেডিয়াম উদ্বোধন কৰে।

ooooo

খানাপাৰাৰ কৃষি সঞ্চালকালয়ৰ চৌহদৰ খেলপথাৰত আজিৰে পৰা এক মাৰ্চলৈকে ২৫ সংখ্যক ৰাজ্যিক কৃষি উদ্যান শস্য মেলাৰ আয়োজন কৰা হৈছে। অসম উদ্যান শস্য সমিতিয়ে ৰাজ্য চৰকাৰৰ কৃষি সঞ্চালকালয়, উদ্যান শস্য আৰু খাদ্য প্ৰসংস্কৰণ সঞ্চালকালয়ৰ লগতে অসম কৃষি বিশ্ববিদ্যালয়ৰ সহযোগত আয়োজন কৰা এই মেলাত ৮০ খনৰো অধিক বিপণীয়ে অংশ লৈছে। বিপণীসমূহত বিভিন্ন জিলাৰ উন্নত মানৰ কৃষিজাত আৰু উদ্যানশস্যৰ সামগ্ৰী বিক্ৰীৰ লগতে কৃষি উদ্যান প্ৰযুক্তি বিষয়ক প্ৰদৰ্শনীৰো ব্যৱস্থা কৰা হৈছে। এইবাৰৰ মেলাত পুষ্পসজ্জা, ৰন্ধন কলা, পাচলি, সতেজ ফুল, ফলমূল, চাদৰ ওপৰত কৰা বাগিচা প্ৰতিযোগিতা আদিৰ আয়োজন কৰা হৈছে। ইয়াৰ লগতে কৃষি আৰু উদ্যান শস্য বিষয়ক কেইবাখনো আলোচনাচক্ৰ, প্ৰশিক্ষণ আদি অনুষ্ঠিত হ'ব।

ooooo

বিটিচি চৰকাৰে আজি বিটিচি প্ৰশাসনৰ অন্তৰ্গত বিভিন্ন জিলাত চৰকাৰে ৰূপায়ণ কৰি থকা পাঁচটা গেৰাণ্টী আঁচনিৰ অন্তৰ্ভুক্ত হিতাধিকাৰীসকলৰ মাজত চেক বিতৰণ কৰে। বাক্সা জিলাৰ ককলাবাৰী পৰিষদীয় সমষ্টিৰ ৰাবাং বড়ো বজাৰত আজি হিতাধিকাৰীসকলৰ মাজত চেক বিতৰণ কৰা হয়। বড়োলেণ্ড দিৱসৰ সৈতে সংগতি ৰাখি বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীয়ে বিটিচিৰ নিৰ্বাচনত দিয়া প্ৰতিশ্ৰুতি মতে আত্মসহায়ক গোট, নিবনুৱা যুৱক-যুৱতী, জ্যেষ্ঠ নাগৰিক, দিব্যাংগ লোকক আৰ্থিক সাহায্য বিতৰণৰ লগতে ভূমিহীন পৰিয়ালক মাটিৰ পট্টা প্ৰদান কৰে। চেক বিতৰণ কাৰ্যসূচীত ২২ নম্বৰ ককলাবাৰী পৰিষদীয় সমষ্টিত আজি বিপিএফ দলৰ কেন্দ্ৰীয় সম্পাদক ৰাজু বৰাল, প্ৰাক্তন বিধায়ক থানেশ্বৰ বসুমতাৰী, বাক্সা জিলাৰ ভাৰপ্ৰাপ্ত সচিব মানস দাসকে আদি কৰি ভালেসংখ্যক লোক উপস্থিত থাকে। বাক্সা জিলাৰ ২৪ নম্বৰ মুছলপুৰ পৰিষদীয় সমষ্টিতো চেক বিতৰণ কাৰ্যসূচী অনুষ্ঠিত হয়।

চিৰাঙৰ ১৫ নম্বৰ কাজলগাঁও পৰিষদীয় সমষ্টিৰ অন্তৰ্গত হিতাধিকাৰীৰ মাজতো চেক বিতৰণ কৰা হয়। চিৰাং জিলাৰ বি পি এফৰ সভাপতি জেমছ্ বসুমতাৰীয়ে এই কাৰ্যসূচীৰ পৌৰহিত্য কৰে। অনুষ্ঠানত ৯গৰাকী ভূমিহীন লোকক ভূমিপট্টা, ৮২৮ টা আত্মসহায়ক গোটলৈ ১৫ হাজাৰ টকাৰ চেক, ১২১ গৰাকী জ্যেষ্ঠ নাগৰিকলৈ ১০ হাজাৰ টকাৰ চেক আৰু ১০০ গৰাকী যুৱক-যুৱতীলৈ দুই লাখ টকাৰ আৰ্থিক অনুদান প্ৰদানৰ লগতে ১৯ গৰাকী দিব্যাংগলৈ ১০ হাজাৰ টকাৰ চেক প্ৰদান কৰা হয়। অনুষ্ঠানত প্ৰাক্তন বিধায়ক মতীন্দ্ৰ বসুমতাৰী আৰু বিপিএফৰ নেতা-কৰ্মীৰ লগতে ভালেসংখ্যক  সাধাৰণ লোক উপস্থিত থাকে।

তামুলপুৰতো নাগ্ৰিজুলী পৰিষদীয় সমষ্টি আৰু গয়বাৰী পৰিষদীয় সমষ্টিৰ হিতাধিকাৰীসকলৰ মাজত চেক বিতৰণ কৰা হয়। পৰিষদৰ সচিব ধীৰাজ খাউড আৰু তামুলপুৰৰ চক্ৰ বিষয়াৰ উপস্থিতিত চেকসমূহ বিতৰণ কৰা হয়। অনুষ্ঠানত বিপিএফ দলৰ ভালেসংখ্যক নেতা-কৰ্মীৰ লগতে সহস্ৰাধিক লোক উপস্থিত থাকে।

০০০০০

ৰাজ্যৰ প্ৰশাসনিক আন্তঃগাঁথনিত নতুন সংযোজন হিচাপে দিছপুৰৰ জনতা ভৱনৰ ব্লক-বিৰ আজি উদ্বোধন কৰা হ'ব। ১০০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই অত্যাধুনিক ভৱনত লোকনিৰ্মাণ, জনস্বাস্থ্য কাৰিকৰী, জলসিঞ্চন আৰু জলসম্পদ সচিবালয়ৰ লগতে জলসিঞ্চন সঞ্চালকালয় থাকিব। ভৱনটোৰ প্ৰতিটো মহলাতে উন্নতমানৰ দৃশ্য-শ্ৰাব্য ব্যৱস্থাসহ আলোচনা কক্ষ, কৰ্মচাৰীৰ বাবে ক'ৰ্পৰেট শৈলীৰ কৰ্মক্ষেত্ৰ, জ্যেষ্ঠ বিষয়া আৰু মন্ত্ৰীৰ বাবে পৃথক কক্ষকে ধৰি অন্যান্য সুবিধাসমূহ থাকিব। জনতা ভৱনত আজি সন্ধিয়া আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই ব্লকটো উদ্বোধন কৰিব।

০০০০০

নাগালেণ্ডত আজিৰে পৰা তিনিদিনীয়াকৈ উত্তৰ-পূব বসন্ত উৎসৱ ২০২৬ৰ আয়োজন কৰা হৈছে। ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ তত্বাৱধানত উত্তৰ-পূব মণ্ডল সাংস্কৃতিক কেন্দ্ৰ ডিমাপুৰৰ সহযোগত আৰু নাগপুৰৰ দক্ষিণ মধ্য মণ্ডল সাংস্কৃতিক কেন্দ্ৰৰ সহযোগত এই মহোৎসৱৰ আয়োজন কৰা হৈছে। ইপিনে, অসম আৰু নাগালেণ্ডৰ মাজত সমন্বয় বাৰ্তাৰে যোৰহাট জিলাৰ মৰিয়নিত কাইলৈৰ পৰা চ্যুকাফা নাট্য উৎসৱৰ আয়োজন কৰা হৈছে।

০০০০০

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইটৰ এখন খেলত ৱেষ্ট ইণ্ডিজে দক্ষিণ আফ্ৰিকাক জয়ৰ বাবে ১৭৭ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত ৱেষ্ট ইণ্ডিজে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ উইকেটৰ বিনিময়ত ১৭৬ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই আমালৈ বাতৰি অহা পৰলৈ ৫ অভাৰত এটাও উইকেট নেহেৰুৱাকৈ ৫৩ ৰান কৰি খেলি আছে।

প্ৰতিযোগিতাত চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া আন এখন খেলত ভাৰত জিম্বাব'ৱেৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব।

০০০০০

সমাপ্ত